# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI

0000000000

**Date :** 08-01-2024
**Time :** 21-25 Hrs

***Assamese Night Bulletin***

::::::::::::::::::::::::::::::::

দুদিনীয়া ভ্ৰমণসূচী লৈ অসমলৈ অহা কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰী জে পি নাড্ডাই আজি গুৱাহাটীৰ চাংসাৰীৰ অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু প্ৰতিষ্ঠানখনৰ সঞ্চালককে ধৰি উচ্চ পদস্থ বিষয়া আৰু চিকিৎসকসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। শ্ৰীনাড্ডাই প্ৰতিষ্ঠানখনৰ শৈক্ষিক আন্তঃগাথনিকে ধৰি বিভিন্ন দিশৰ পৰ্যালোচনা কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই স্বাস্থ্য মন্ত্ৰালয়ৰ অধীনত এইমছত ৰূপায়ণ হোৱা বিভিন্ন প্ৰকল্পকে ধৰি অন্যান্য দিশসমূহ ক্ষীপ্ৰতাৰে সম্পূৰ্ণ কৰিবলৈ কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰীগৰাকীক অনুৰোধ জনায়। শ্ৰীনাড্ডাই ইয়াৰ পূৰ্বে প্ৰতিষ্ঠানখনৰ চৌহদত এটি গছপুলি ৰোপণ কৰে। সন্ধিয়াৰ ভাগত তেওঁ আমিনগাওঁৰ বেডমিণ্টন একাডেমী পৰিদৰ্শন কৰি সা-সুবিধাসমূহৰ বুজ লয়।

ভ্ৰমণৰ প্ৰথম পৰ্যায়ত আজি দুপৰীয়া কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে তেজপুৰত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আঞ্চলিক মানসিক স্বাস্থ্য প্ৰতিষ্ঠানত নিৰ্মাণ কৰা অত্যাধুনিক পুথিভঁৰাল আৰু তথ্য কেন্দ্ৰটো আনুষ্ঠানিকভাৱে মুকলি কৰে।

ইয়াৰ পাছত তেওঁ মঙলদৈত - মঙলদৈ অসামৰিক চিকিৎসালয়ত প্ৰধানমন্ত্ৰী আয়ুষ্মান ভাৰত স্বাস্থ্য আন্তঃগাঁথনি অভিযানৰ অধীনত ২৩ কোটি ৭৫ লাখ টকা ব্যয়ৰে নিৰ্মাণ কৰিবলগীয়া ক্ৰিটিকেল কেয়াৰ হাস্পতালখনৰ আধাৰশিলা স্থাপন কৰে। শ্ৰীনাড্ডাই মঙলদৈ নগৰৰ সমীপৰ গেৰীমাৰীত নিৰ্মীয়মান অসম দক্ষতা বিশ্ববিদ্যালয়ৰ নিৰ্মাণকাৰ্যও পৰিদৰ্শন কৰে।

চাংসাৰি অভিমুখে যাত্ৰা কৰাৰ পূৰ্বে শ্ৰীনাড্ডাই মঙলদৈৰ ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ চাৰিলেনযুক্ত বাইপাছৰ নিৰ্মাণৰ অগ্ৰগতিৰ বুজ লোৱাৰ লগতে ছিপাঝাৰ চিকিৎসালয়খনো পৰিদৰ্শন কৰি স্বাস্থ্য আৰু চিকিৎসাজনিত বিভিন্ন সা-সুবিধাৰ বুজ লয়।

০০০০০

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আজি বজালী বিধানসভা সমষ্টিত যাতায়াত ব্যৱস্থা উন্নীতকৰণৰ বাবে ২৬ কোটি ৯৮ লাখ টকা ব্যয়সাপেক্ষ ৩ টা নৱনিৰ্মিত পকী পথ উদ্বোধন কৰাৰ লগতে ৮ খন পকী দলঙৰ নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰে। এই দলং তথা পথসমূহে বজালীবাসীক অনাগত দিনত যাতায়াতৰ ক্ষেত্ৰত যথেষ্ট সকাহ প্ৰদান কৰিব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। আজিৰ কাৰ্যসূচীত মন্ত্ৰীগৰাকীৰ লগত কেইবাগৰাকী দলীয় নেতা উপস্থিত থাকে।

০০০০

অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে ডিমা হাচাও জিলাৰ উমৰাংছুৰ কয়লাখনিত অবৈধ খনন চলাবলৈ অনুমতি দিয়া সংশ্লিষ্ট কৰ্তৃপক্ষৰ বিৰুদ্ধে তদন্তৰ দাবী উত্থাপন কৰিছে। আজি অসম প্ৰদেশ কংগ্ৰেছৰ এটা দলে উমৰাংছুৰ কয়লা খনিত আৱদ্ধ হৈ থকা শ্ৰমিকসকলৰ উদ্ধাৰ অভিযান প্ৰত্যক্ষ কৰি এই অবৈধ খনিৰ সৈতে চৰকাৰী পক্ষ জড়িত থকা বুলি অভিযোগ কৰে। প্ৰতিনিধি দলটোৱে অধিক তৎপৰতাৰে উদ্ধাৰ কাৰ্য চলাবলৈ আহ্বান জনোৱাৰ লগতে এই ঘটনাত

আহত আৰু নিহত লোকসকলৰ পৰিয়ালক সঠিকভাৱে ক্ষতিপূৰণ দিবলৈ দাবী জনায়। উল্লেখযোগ্য যে, নৌ সেনাৰ ডুবাৰু, সেনা বাহিনী, এছ দি আৰ এফ, এন দি আৰ এফ, অগ্নি নিৰ্বাপক বাহিনী আৰু স্থানীয় আৰক্ষীয়ে প্ৰতিকূল বতৰকো নেওচি শ্ৰমিকসকলৰ উদ্ধাৰৰ বাবে অভিযান অব্যাহত ৰাখিছে।

০০০০

অসম গ্ৰামীন জীৱিকা অভিযানৰ  চিৰাং জিলা গোটৰ উদ্যোগত আৰু জিলা প্ৰশাসনৰ সহযোগত কাজলগাঁৱত সামুহিক ভৱনত আজিৰে পৰা ৩ দিনীয়াকৈ অসমী ভোগালী মেলাৰ আয়োজন কৰা হৈছে। ৰাজ্যসভাৰ সাংসদ ৰণগৌৰা নাৰ্জাৰীয়ে এই ভোগালী মেলা উদ্বোধন কৰি মহিলাসকলে আত্মসহায়ক গোটৰ জৰিয়তে  বিভিন্ন সামগ্ৰী উৎপাদনৰ লগতে বিক্ৰী কৰি স্বাৱলম্বী হ'ব পাৰে বুলি উল্লেখ কৰে। এই ভোগালী মেলাত জিলাখনৰ চিদলী, চিৰাং আৰু বড়ো বজাৰ খণ্ড উন্নয়ন এলেকাৰ মুঠ ৩০ টা আত্মসহায়ক গোটে পিঠা-পনা,  বিভিন্ন জনগোষ্ঠীয় খাদ্য, পৰম্পৰাগত সাজ-পাৰ আদি বিক্ৰীৰ ব্যৱস্থা কৰিছে।

০০০০

শ্ৰোতাসকলে বাতৰি আৰু বাতৰি বিভাগৰ অনুষ্ঠান সম্পৰ্কীয় যিকোনো অভিযোগ বা পৰামৰ্শ WHATSAPP NO. ৯৮৬৪০-৫৫৫৬৬ দিব পাৰে। শ্ৰোতাসকলৰ পৰা লাভ কৰা বাৰ্তাৰ ভিত্তিত, অহা ১১ জানুৱাৰী শনিবাৰে নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত প্ৰচাৰ কৰা হ'ব। ইয়াত ভাগ ল'ব বাতৰি বিভাগৰ জ্যেষ্ঠ পৰিৱেশিকা অৰুণিমা গোস্বামী আৰু বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে। অনুষ্ঠান চলি থকাৰ সময়তো আগ্ৰহী শ্ৰোতাই ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰত ফোন কৰিব পাৰিব।  শ্ৰোতাসকলৰ সৈতে বাতৰি বিভাগৰ সম্পৰ্ক অধিক নিবিড় কৰাৰ প্ৰয়াস হিচাপে প্ৰচাৰ কৰা এইটো হ'ব এই সম্পৰ্কীয় দ্বিতীয়টো অনুষ্ঠান।

০০০০

ভাৰতীয় কৃত্ৰিম অংগ উৎপাদন নিগমৰ উদ্যোগত চৰাইদেউ জিলাৰ সোণাৰীত আজি দিব্যাংগ হিতাধিকাৰীসকলৰ মাজত বিভিন্ন সহায়ক সঁজুলি বিতৰণ কৰা হয়। ভাৰত চৰকাৰৰ সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰালয়ৰ অন্তৰ্গত দিব্যাংগসকলৰ সবলীকৰণ বিভাগৰ অধীনত ৰূপায়িত এ ডি আই পি আঁচনিৰ অধীনত আয়োজিত অনুষ্ঠানত সমষ্টিটোৰ বিধায়ৰ ধৰ্মেশ্বৰ কোঁৱৰ উপস্থিত থাকে। হিতাধিকাৰীসকলক হুইল চেয়াৰ, মটৰাইজড ট্ৰাই চাইকেল, শ্ৰৱণ সঁজুলি, সুগম কেইন বিতৰণ কৰা অনুষ্ঠানত জিলা আয়ুক্তকে ধৰি বিভিন্ন বিভাগৰ ভালেসংখ্যক বিষয়া-কৰ্মচাৰীও উপস্থিত থাকে।

০০০০

বিলাসীপাৰা সমজিলাৰ সমীপৱৰ্তী মহামায়া বনাঞ্চলত হিমালয়ৰ পৰা অহা পৰিভ্ৰমী শগুন প্ৰত্যক্ষ কৰা হৈছে বুলি অৰণ্য সুৰক্ষা সমিতি অসমৰ সচিব প্ৰধান ডঃ হৰিচৰণ দাসে প্ৰকাশ কৰিছে। মহামায়া স্নান ঘাটৰ কাষৰীয়া বনাঞ্চলত এনে ধৰণৰ কেইবাটাও শগুন প্ৰত্যক্ষ কৰা হৈছে। প্ৰতিবছৰে মহামায়া বনাঞ্চললৈ হিমালয়ৰ  পৰা পৰিভ্ৰমী শগুনৰ আগমন ঘটে আৰু অৰণ্য সুৰক্ষা সমিতিয়ে প্ৰতিবছৰে এই শগুনৰ গণনাও কৰি আহিছে।

০০০০০

সমাপ্ত